**অসম বিধান সভা**
**উত্তৰদানৰ তাৰিখ- ২২/০৭/২০২৬**
**তৰাবিহীন প্ৰশ্ননং- ৪৪২**
***বিষয়* ঃ অসম বাংলাদেশ সীমা সুৰক্ষা সন্দৰ্ভত**
**বিধায়ক - শ্ৰীচক্ৰধৰ গগৈ ঃ**

মাননীয় সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম-বাংলাদেশ সীমান্তৰ মুঠ দৈৰ্ঘ্যৰ পৰিমাণ কিমান ? তাৰেই বৰ্তমানলৈকে কিমান কিলোমিটাৰ কাঁটা তাৰ বা বেৰা নিৰ্মাণ কৰা হ'ল? তথ্য জনাব।

(খ) কাঁটা তাঁৰ বা বেৰা দিয়া সীমান্তইদি বৰ্তমান সময়চোৱাত কোনো বাংলাদেশী প্ৰৱেশ কৰিছে নেকি ? যদি কৰিছে, প্ৰতিৰোধৰ ব্যৱস্থা কেনেদৰে লৈছে জনাব ?

(গ) অসম বাংলাদেশ সীমান্তৰ কিমান কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমা, বেৰৰ বাবে প্ৰাকৃতিক ভাৱে অসম্ভৱ ? সেই অঞ্চলত বেৰৰ বাবে কি আধুনিক ব্যৱস্থা গ্ৰহণ কৰিব জনাব।

**উত্তৰ**

সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব।

**(ক)** অসম-বাংলাদেশ সীমান্তৰ মুঠ দৈৰ্ঘ্য ২৬৭.৫ কি.মি. (Survey of India ৰ তথ্য অনুসৰি), অসমৰ ধুবুৰী, দক্ষিণশালমাৰা-মানকাচৰ, কাছাৰ আৰু শ্ৰীভূমি জিলাৰ লগত সংলগ্ন হৈ আছে । এই সীমাৰ ২২৮.৫৪১ কি.মি দৈৰ্ঘ্যত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰা হৈছে ।

**(খ)** ৰাজনৈতিক (বি) বিভাগ, অসমৰ পৰা পোৱা তথ্য অনুসৰি :-

সৰ্বমুঠ ১,৭২,৬৭৩ জন ব্যক্তিক বিদেশী ন্যায়াধিকৰণে (Foreigners Tribunal) অবৈধ বিদেশী হিচাপে চিনাক্ত কৰিছে (Declared Foreigner)। বাংলাদেশৰ পৰা অবৈধভাৱে ভাৰতৰ ভূখণ্ডত প্ৰৱেশ কৰা মুঠ ৩১,৭২১ জন বাংলাদেশী নাগৰিকক আজিলৈকে আটক কৰি বহিষ্কাৰ কৰিছে।

তদুপৰি বি.এছ্.এফ (BSF) সীমান্ত পহৰা চকী (B.O.P) ৰ পিছত থকা দ্বিতীয় প্ৰতিৰক্ষা শাৰীৰ ১৪ টা সীমান্ত পহৰা চকী (B.O.P) আৰু ১৪ টা টহলদাৰী চকী (Patrol Post) আছে, যিবোৰ অসম আৰক্ষীয়ে পৰিচালনা কৰে। অনুপ্ৰৱেশকাৰীয়ে যাতে বি.এছ্.এফ ৰ সীমান্ত পহৰা চকী (B.O.P) সমূহৰ চকুত ধূলি দি ভাৰতত প্ৰৱেশ কৰিব নোৱাৰে, তাক প্ৰতিহত কৰিবলৈ আৰু মানৱ সৰবৰাহ, গৰু সৰবৰাহ, ড্ৰাগছ সৰবৰাহ আদিৰ দৰে আন্তঃসীমান্ত অপৰাধ ৰোধ কৰিবলৈ অসম আৰক্ষীৰ সীমান্ত পহৰা চকী (B.O.P) ৰ জোৱানসকলে বি.এছ্.এফ আৰু স্থানীয় আৰক্ষীৰ সৈতে যুটীয়া টহলদাৰী অভিযান চলায়।

**(গ)** অসম-বাংলাদেশ সীমান্তৰ ৩৮.৯৫৯ কি.মি. দৈৰ্ঘ্যৰ ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ ৩৪.৬০৯ কি.মি দৈৰ্ঘ্য নদী অঞ্চল হোৱা বাবে আৰু শ্ৰীভূমি জিলাৰ কুছিয়াৰা নদীৰ পাৰত ভাৰতীয় মানুহৰ বসতি থকা ৪.৩৫ কি.মি. দৈৰ্ঘ্য Border Guard Bangladesh (BGB) ৰ আপত্তিৰ বাবে কাঁইটীয়া তাঁৰৰ বেৰ দিব পৰা নাই আৰু এই সীমা-সম্পূৰ্ণৰূপে ৰুদ্ধ (Seal) কৰাৰ ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ। নদী অঞ্চলত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰাটো ভৌগোলিক কাৰণত কঠিন হোৱাৰ বাবে তাত উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰি মুক্ত হৈ থকা নদী অঞ্চল সমূহত Border Security force এ Comprehensive Integrated Border Management System (CIBMS) ৰ মাধ্যমেৰে তথা নৌকা পৰ্যবেক্ষণ চকী স্থাপন কৰি নিয়মীয়া ভাবে জল ভাগ নিৰীক্ষণ কৰি আহিছে, লগতে নিৰীক্ষণ চকী (OP), বাহন আৰু যন্ত্ৰ চালিত নাওঁৰে টহল, CCTV, PTZ কেমেৰা আৰু water wing ৰ সহায়ত নিয়মীয়া টহল চলাই আছে । ইয়াৰ উপৰিও বাকী থকা সীমাৰ শ্ৰীভূমি জিলাৰ কুছিয়াৰা নদীৰ পাৰৰ ৪.৩৫ কি:মি: দৈৰ্ঘ্যৰ অংশ Border Guard Bangladesh (BGB) ৰ আপত্তিৰ বাবে কাঁইটীয়া তাঁৰৰ বেৰ দিব পৰা নাই যদিও উক্ত স্থানত মোতায়ন কৰা BSF এ টহলদাৰী কৰি নিৰাপত্তাৰ ব্যৱস্থা কৰি আছে।

**বিঃদ্ৰঃ** - উত্তৰ NeVA portal https://cms.neva.gov.in/ ত আপলোড কৰা হৈছে ।

********